
# OFFICE OF THE PRINCIPAL
# NARANGI ANCHALIK MAHAVIDYALAYA

Website: www.narangianchalikmahavidyalaya.ac.in

Date: 07-02-2025

## A Report on Photography Workshop

On 05/02/2025, a workshop on Photography was organised by Hobby Club, IQAC of Narangi Anchalik Mahavidyalaya in collaboration with UB photos in Digital classroom of NAM. Resource person from UB Photos were present in the said event and had enriched on beautiful and perfect photography. More than 100 students of all even semesters were present for the workshop and interacted with the resource person .Faculties of the institution, hobby club members in particular were present for the event. The objectives and purpose of the workshop were shared by Jojana Gandha Pathak (Convenor) and the inaugural speech was delivered by Dr. Lukendra Kakati, Principal, NAM. The resource person of the programme were Utpal Baruah and Nirikshan Kumar of UB Photos. Vote of thanks was given by Hafiza Khatun, student of 4th semester, NAM.







07/2/25

**(Dr. Lukendra Kakati)**
Principal
Narangi Anchalik Mahavidyalaya
Narangi, Guwahati-171

Principal
Narangi Anchalik Mahavidyalaya
Narangi, Guwahati-781171

07/02/25

**(Homeswar Kalita)**
Co-ordinator, IQAC,
Narangi Anchalik Mahavidyalaya
Narangi, Guwahati-171

Co-ordinator, IQAC
Narangi Anchalik Mahavidyalaya
Narengi, Guwahati-171

07/02/25

07/02/25

**(Jojana Gandha Pathak)** **(Tinkumoni Kalita)**
Convenors, Hobby Club,
Narangi Anchalik Mahavidyalaya
Narangi, Guwahati-171

Scanned with OKEN Scanner





## কৃতী শিক্ষক হৰেন্দ্ৰ নাথ ভট্টাচাৰ্যৰ বিয়োগ

গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ মহানগৰীৰ ভেটাপাৰা গোপাল পথ নিবাসী বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি তথা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী বিষয় শিক্ষক হৰেন্দ্ৰ নাথ ভট্টাচাৰ্যৰ যোৱা ৬ ফেব্ৰুৱাৰীত আকস্মিকভাৱে পৰলোকপ্ৰাপ্তি হয়। প্ৰয়াত ভট্টাচাৰ্যই অৱসৰৰ পাচত গুৱাহাটীৰ নুনমাটিস্থিত লুইত ইংলিছ একাডেমীৰ অধ্যক্ষ হিচাপে যোগদান কৰি সেৱা আগবঢ়াইছিল। কামৰূপ জিলাৰ ডিমু মহৰীয়া গাঁৱত জন্মগ্ৰহণ কৰা ভট্টাচাৰ্যৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। সৰবৰহী ভট্টাচাৰ্যই মৃত্যুৰ সময়ত পত্নী, একমাত্ৰ পুত্ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সহকাৰী পঞ্জীয়ক ড° সমৰ ভট্টাচাৰ্য, বোৱাৰী কটন বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° চন্দ্ৰিমা গোস্বামীৰ লগতে নাতি আৰু আত্মীয়-স্বজনসহ এটা ডাঙৰ পৰিয়াল এৰি থৈ গৈছে। ভট্টাচাৰ্যৰ বিয়োগৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। কালি নৱগ্ৰহ শ্মশানত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

## অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰতাপ চন্দ্ৰ শৰ্মাৰ বিয়োগ

নলবাৰী, ৭ ফেব্ৰুৱাৰী ঃ নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত আঠঘৰীয়া গাঁও নিবাসী বিশিষ্ট শিক্ষক

## মন্দিৰা এন চিত হেৰ'ইনসহ এজনক গ্ৰেপ্তাৰ

প্ৰতিদিন সেৱা, নগৰবেৰা, ৭ ফেব্ৰুৱাৰী ঃ কামৰূপ জিলাৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত মন্দিৰা এন চি গাঁৱত নিশা আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ হাফিজুল ৰহমান নামৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। হাফিজুৰৰ পৰা ১.২৭৬ গ্ৰাম নিষিদ্ধ হেৰ'ইন জব্দ কৰে মন্দিৰা আৰক্ষীয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ ঘৰ গোৱালপাৰা জিলাৰ ধূপধৰা থানাৰ অন্তৰ্গত ধানবড়ি বৰটাৰী গাঁৱত বুলি জানিব পৰা গৈছে। আজি আৰক্ষীয়ে সৰবৰাহকাৰীটোক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

## নাৰেংগী আঞ্চলিক কলেজত ফটোগ্ৰাফীৰ কৰ্মশালা

গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ 'নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ 'হবি ক্লাব', আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু ইউ বি ফটোজৰ সহযোগত ৫ ফেব্ৰুৱাৰীত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দিনজোৰাকৈ এখন ফটোগ্ৰাফী কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ইউ বি ফটোজৰ সঞ্চালক উৎপল বৰুৱা আৰু একেখন প্ৰতিষ্ঠানৰে প্ৰবক্তা নিৰীক্ষণ কুমাৰ। কৰ্মশালাৰ উদ্দেশ্য ব্যাখ্যা কৰে সহকাৰী অধ্যাপক যোজনাগন্ধা পাঠকে। নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকেন্দ্ৰ কাকতিয়ে উদ্বোধনী ভাষণ আগবঢ়াই কৰ্মশালাখনৰ শুভ উদ্বোধন কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত দিনজোৰা ফটোগ্ৰাফী কৰ্মশালাখনৰ সফল সামৰণি পৰে।

## দৌলাশালত কানাই ব'লাই সভা মহোৎসৱ আৰম্ভ

প্ৰতিদিন সেৱা, দৌলাশাল, ৭ ফেব্ৰুৱাৰী ঃ নলবাৰী জিলাৰ দৌলাশালৰ ঐতিহ্যপূৰ্ণ শ্ৰীশ্ৰী কানাই ব'লাই মহাপ্ৰভুৰ ৬৩ সংখ্যক বাৰ্ষিক সভা মহোৎসৱ আজিৰে পৰা পাঁচদিনীয়াকৈ অনুষ্ঠিত হৈছে। দৌলাশাল উন্নতি সাধিনী সভাৰ উদ্যোগত প্ৰতি বছৰে ভৈমী একাদশীৰ পৰা বৰ্ণিল কাৰ্যক্ৰমণিকাৰে এই সভা মহোৎসৱ উদ্‌যাপন কৰি অহা হৈছে। আজি পুৱা প্ৰভাত ফেৰী সমাপ্ত হোৱাৰ পিচত পুৱা ৯ বজাত সভা মহোৎসৱৰ ধৰ্মধ্বজা উত্তোলন কৰে দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি প্ৰেমেশ্বৰ বৈশ্যই। ইয়াৰ পিচতে গাঁওখনৰ আঠটা চুবুৰিৰ সভাপতিসকলে আঠখন পতাকা উত্তোলন কৰে। বন্তি প্ৰজ্বলন কৰে শ্ৰীশ্ৰী কানাই ব'লাই আদিথান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ভবেন কুমাৰ কলিতাই। ছহিদ তৰ্পণ কৰে দৌলাশাল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰুণ চন্দ্ৰ চৌধুৰীয়ে। গছপুলি ৰোপণ কৰে ক্ৰমে দৌলাশাল উন্নতি সাধিনী সভাৰ প্ৰাক্তন সভাপতি গুৰুচৰণ পাঠক আৰু দৌলাশাল উন্নতি সাধিনী সভাৰ উপ-সভাপতি দীপক দাসে। ধৰ্মধ্বজা উত্তোলন অনুষ্ঠানৰ আঁত ধৰে সাংস্কৃতিক উপ-সমিতিৰ তত্ত্বাৱধায়ক বনজিৎ বৈশ্যই। সন্ধিয়া পাঁচ বজাত স্মৃতি ফলকত বন্তি প্ৰজ্বলন কৰে দৌলাশাল মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰিদাস বৈশ্য আৰু ফলক দাতাৰ পৰিয়ালবৰ্গই। ইয়াৰ পিচতেই গাঁওখনৰ আঠটা চুবুৰিৰ পৰা বিগ্ৰহ আনি মূল মন্দিৰত স্থাপন কৰা হয়। সন্ধিয়া ৬.৩০ বজাত সভা মহোৎসৱৰ মুখ্য দ্বাৰ মুকলি কৰে দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি প্ৰেমেশ্বৰ বৈশ্যই। সন্ধিয়া লোকাৰণ্য হৈ পৰে সভা মহোৎসৱৰ বাকৰি। নিশা নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। সভা মহোৎসৱৰ আটাইকেইদিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে দৌলাশাল উন্নতি সাধিনী সভাই।

**PHOTOGRAPHY WORKSHOP HELD ON 06-02-2025**